# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-05-2024
**Time :** 0900 Hrs

# *Assamese Morning Bulletin*
# HEADLINES

১। লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ। এই পৰ্যায়ত কাইলৈ ৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৫৮ টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ।

২। আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ আবিৰ্ভাৱ তিথি। এই উপলক্ষে সমগ্ৰ ৰাজ্যৰ সত্ৰ-নামঘৰসমূহত বিভিন্ন কাৰ্যসূচীৰ আয়োজন।

৩। জাৰ্মান সাহিত্যিক জেনী এৰ্পেনবেক আৰু অনুবাদক মাইকেল হফমেনলৈ চলিত বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা।

আৰু

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ।

0000000

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। এই পৰ্যায়ত কাইলৈ পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ ৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৫৮ টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। এই সমষ্টিসমূহৰ ভিতৰত বিহাৰৰ ৮টা, হাৰিয়ানাৰ ১০ টা, জম্মু-কাশ্মীৰৰ এটা, ঝাৰখণ্ডৰ ৪টা, দিল্লীৰ ৭টা, ওড়িশাৰ ছটা, উত্তৰ প্ৰদেশৰ ১৪টা আৰু পশ্চিমবংগৰ ৮টা সমষ্টি আছে।

এই সমষ্টি কেইটাৰ বাবে মুঠ ৮৮৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

ইফালে, যোৱা ২০ মে'ত অনুষ্ঠিত পঞ্চম পৰ্যায়ৰ লোকসভা নিৰ্বাচনত মুঠ ৬২ দশমিক ২ শতাংশ ভোটগ্ৰহণ হোৱা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। এই পৰ্যায়ত ৮খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হৈছিল। মুঠ ভোটদানকাৰীৰ ভিতৰত ৬১ দশমিক ৪-৮ শতাংশ পুৰুষ, ৬৩ শতাংশ মহিলা আৰু ২১ দশমিক ৯-৬ শতাংশ তৃতীয় লিংগৰ ভোটদাতা। এই পৰ্যায়ত পশ্চিম বংগত সৰ্বাধিক ৭৮ দশমিক ৪-৫ শতাংশ ভোটদান হৈছিল।

00000000000

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰাৰ পাছত ৰাজনৈতিক দলসমূহে সপ্তম তথা অন্তিম পৰ্যায়ৰ প্ৰচাৰত মনোনিৱেশ কৰা পৰিলক্ষিত হৈছে। বিভিন্ন দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি উত্তৰ প্ৰদেশৰ কুশিনগৰ, বালিয়া আৰু সোণভদ্ৰা জিলাত প্ৰচাৰ চলাব। আনহাতে মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্য নাথে মহাৰাজগঞ্জ, কুশিনগৰ দেঅ'ৰীয়া আৰু গোৰখপুৰত দলৰ হকে প্ৰচাৰত ভাগ ল'ব।

ইপিনে কংগ্ৰেছৰ মুখপাত্ৰ অভয় দুবে আজি বাৰানসীত দলীয় প্ৰাৰ্থী অজয় ৰায়ৰ হৈ এখন সংবাদ মেল সম্বোধন কৰিব।

বিহাৰতো সপ্তম পৰ্যায়ৰ বাবে প্ৰচাৰ তুংগত উঠিছে। ৰাজ্যখনত এন ডি এ আৰু মহামিত্ৰজোঁটৰ লগতে অন্যান্য দলসমূহে ভোটদাতাসকলৰ মন জয়কৰাৰ বাবে চেষ্টাৰ অকনো ত্ৰুটি কৰা নাই। বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি আৰা সংসদীয় সমষ্টিৰ বীৰ কুঁৱৰ সিং ষ্টেডিয়ামত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। আনহাতে জে ডি ইউ নেতা তথা মুখ্যমন্ত্ৰী নীতিশ কুমাৰে  কাৰাকাত সমষ্টিৰ ন'খাত দলৰ হকে প্ৰচাৰ চলাব। একেদৰে কেন্দ্ৰীয় মন্ত্ৰী গিৰীৰাজ সিং আৰু বিজেপিৰ ৰাজ্যিক সভাপতি সম্ৰাট চৌধৰীয়ে জেহেনাবাদ সংসদীয় সমষ্টিত প্ৰচাৰত ভাগ ল'ব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ওড়িশাত বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। কালি তেওঁ ৰাজ্যখনত এটা বিশাল ৰোড শ্ব'ত অংশগ্ৰহণ কৰা লগতে দুখন জনসভাক সম্বোধন কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কেওঁঝাৰ, কটক লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী মোহন চৰণ মাঝি, প্ৰকাশ চন্দ্ৰ শেঠী তথা আনন্দপুৰ, বাৰম্বা বিধানসভা সমষ্টিৰ প্ৰাৰ্থী আলোক কুমাৰ শেঠী আৰু সম্বিৎ তৃপাঠীৰ হৈ দুখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। নিৰ্বাচনী প্ৰচাৰৰ সময়ত ড০ শৰ্মাই ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়কৰ এসময়ৰ ব্যক্তিগত সচিব তথা ভাৰতীয় প্ৰশাসনিক সেৱা ত্যাগ কৰি শেহতীয়াকৈ বিজু জনতাদলত যোগদান কৰা ভি কে পাণ্ডিয়ানক তীব্ৰ সমালোচনা কৰি কয় যে, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পাটনায়কে নিজা ববীয়াকৈ কোনো পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰে। ভি কে পাণ্ডিয়ানে বৰ্তমান ওড়িশাৰ মুখ্যমন্ত্ৰীসদৃশ হৈ পৰিছে। এইবাৰ ওড়িশা বিধানসভাত বিজেপিয়ে ৭৫ খনৰো অধিক আসন লাভ কৰি চৰকাৰ গঠনৰ লগতে লোকসভাতো ১৫ খনৰো অধিক আসন লাভ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে, নবীন পাটনায়ক নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে জগন্নাথ মন্দিৰৰ ৰত্ন ভাণ্ডাৰৰ ছাবি লুকুৱাই ৰাখি ওড়িশা বাসীৰ স্বভিমানৰ সৈতে খেলা কৰিছে। ভাৰতীয় জনতাপাৰ্টীয়ে লোকসভা নিৰ্বাচনৰ লগতে বিধানসভা নিৰ্বাচনতো জয়লাভ কৰি ওড়িশাত দ্বৈত ইঞ্জিনৰ চৰকাৰ গঠনৰ প্ৰয়াস কৰিছে বুলি তেওঁ কয়। এইবাৰৰ লোকসভা নিৰ্বাচনত বিজেপি প্ৰাৰ্থীসকলক ভোটদান কৰিবলৈ ওড়িশাবাসীক আহ্বান জনাই মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে, বিগত লোকসভা নিৰ্বাচনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০০ খন আসন লাভ কৰি জম্মু-কাশ্মীৰৰ পৰা সংবিধানৰ পৰা ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ, ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা, নাগৰিকত্ব সংশোধনী আইন গৃহীত কৰাৰ দৰে পদক্ষেপসমূহ গ্ৰহণ কৰিছে।

ইফালে, মহামিত্ৰজোঁটৰ অন্তৰ্ভুক্ত আৰ জে ডি, কংগ্ৰেছ আৰু বাও দলৰ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হকে ৰাজ্যৰ বিভিন্ন ঠাইত আজি নিৰ্বাচনী সমাৰেশত অংশ ল'ব। আৰ জে দি নেতা তেজস্বী প্ৰসাদ যাদৱ আৰু বিকাশ শীল ইনচান পাৰ্টীৰ মুৰৱী মুকেশ সাহানীয়ে কালি কেইবাটাও সমষ্টিত একেলগে নিৰ্বাচনী সভাত ভাগ লয়।

বহুজন সমাজপাৰ্টীৰ মুৰববী মায়াবতীয়েও বক্সাৰত দলীয় প্ৰাৰ্থীৰ হকে এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ ভাষণত বিজেপি পুনৰ ক্ষমতালৈ নাহে বুলি দাবী কৰে। তেওঁ কয় যে, জনসাধাৰণে এইবাৰৰ নিৰ্বাচনত বিজেপি আৰু ইয়াৰ মিত্ৰদলসমূহক এশিকনি দিব।

00000000

আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ আৱিৰ্ভাৱ তিথি। এই উপলক্ষে সমগ্ৰ ৰাজ্যৰ সত্ৰ-নামঘৰসমূহত বিভিন্ন কাৰ্যসূচীৰে দিনটো পালনৰ আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱৰ প্ৰধান শিষ্য একশৰণ নামধৰ্মৰ প্ৰচাৰক, নিজৰ সৃষ্টিৰাজিৰে অসমৰ সমাজ জীৱনত অভূতপূৰ্ব সংস্কাৰ সাধন কৰা মাধৱদেৱৰ আৱিৰ্ভাৱ তিথিৰ সৈতে সংগতি ৰাখি অসম একশৰণ ভাগৱতী সমাজৰ উদ্যোগত আজিৰেপৰা মৰিগাঁৱৰ বৰদল পালনাম থানত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ঐতিহ্যমণ্ডিত থানখনত আজি পুৱা মাংগলিক পৰম্পৰাৰে গুৰু আসন প্ৰতিষ্ঠা কৰা হয়। একশৰণ ভাগৱতী সমাজৰ আচাৰ্য দেহেশ্বৰ বৰাই নৱনিৰ্মিত মণিকূটত আনুষ্ঠানিকভাৱে সিংহাসন প্ৰতিষ্ঠা কৰাৰ পাছত বৰদল গাঁৱৰ গায়ন-বায়নৰ খোল প্ৰসংগ অনুষ্ঠিত হয়। কাইলৈ গুণমালা, ধৰ্মালোচনী সভাৰ লগতে ২০০ গৰাকী যুৱক-যুৱতীক শৰণ-ভজনৰ দিহা কৰা হৈছে।

ইফালে, মহাপুৰুষ মাধৱদেৱ স্থাপিত বৰপেটাৰ সুন্দৰীদিয়া সত্ৰত কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হৈছে। এই উপলক্ষে কালি ধৰ্মধ্বজা উত্তোলন, গছপুলি ৰোপণ, ভাগৱত পাঠ, কীৰ্তন ঘোষা পাঠ কৰাৰ লগতে খোল বাদন লোকগীত আৰু বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি

হ'বলগীয়া ধৰ্মালোচনা সভাত সুন্দৰীদিয়া সত্ৰই প্ৰতিবছৰে প্ৰদান কৰা মাধৱদেৱ বঁটা ৰামৰায়কুঠি সত্ৰৰ সত্ৰাধিকাৰ জীতেন্দ্ৰ নাথ প্ৰধানীক প্ৰদান কৰিব। মহাপুৰুষজনাৰ দ্বাৰা স্থাপিত বৰপেটা সত্ৰতো আজি মহাপুৰুষজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হ'ব।

oooooooo

জাৰ্মান সাহিত্যিক জেনী এৰ্পেনবেক আৰু অনুবাদক মাইকেল হফমেনে চলিত বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা লাভ কৰিছে। লণ্ডনত মঙলবাৰে আয়োজিত এটা অনুষ্ঠানত এই বঁটা ঘোষণা কৰা হয়। জেনী এৰ্পেনবেককৈ তেওঁৰ ব্যক্তিগত আৰু ৰাজনৈতিক উপন্যাস কাইৰছৰ বাবে এইবাৰৰ বুকাৰ বঁটা আগবঢ়োৱা হৈছে। আনহাতে, একেখন উপন্যাসৰ জাৰ্মানী অনুবাদৰ বাবে মাইকেল হফমেনেও বুকাৰ জিনিবলৈ সমৰ্থ হৈছে। সেই অনুসৰি বঁটাটোৰ সৈতে আগবঢ়োৱা মুঠ ৫৩ লাখ টকা দুয়োৰে মাজত সমানে ভগাই দিয়া হ'ব। উল্লেখযোগ্য যে বুকাৰৰ দৰে সন্মান লাভ কৰা এৰ্পেনবেক হৈছে জাৰ্মানীৰ প্ৰথমগৰাকী সাহিত্যিক। বাৰ্লিনৰ প্ৰাচীৰ ভংগ কৰি জাৰ্মানীক একত্ৰিত কৰাৰ অন্তিম দিনটোতে বৰ্তমান ৫৭ বছৰীয়া এৰ্পেনবেকৰ জন্ম হৈছিল আৰু পূব বাৰ্লিনত তেওঁ ডাঙৰ-দীঘল হৈছিল। পূব জাৰ্মানীৰ অংশ হিচাপে থকা পূব বাৰ্লিনত ডাঙৰ দীঘল হোৱা জেনী এৰ্পেনবেকৰ জন্মৰ পাছতেই ১৯৯০ চনত জাৰ্মানী একত্ৰিত হয়। এই ঘটনাৰ আধাৰতেই উপন্যাসখন ৰচনা কৰা হৈছিল।

oooooooo

গুৱাহাটী মহানগৰৰ লগতে ৰাজ্যখনৰ অধিকাংশ জিলাত গ্ৰীষ্মৰ প্ৰকোপ বৃদ্ধি হোৱাত জনজীৱনৰ দৈনন্দিন কাম-কাজ প্ৰায় কষ্টসাধ্য হৈ পৰা পৰিলক্ষিত হৈছে। ঠাই বিশেষে তাপমাত্ৰা ৩৮ ডিগ্ৰী চেলছিয়াছ অতিক্ৰম কৰিছে। মাত্ৰাধিক গৰমৰ ফলত হোৱা বিভিন্ন ৰোগত বহু লোক আক্ৰান্ত হৈছে। বিশেষকৈ পঢ়াশলীয়া ছাত্ৰ-ছাত্ৰীসকলে শাৰীৰিক কষ্টৰ লগতে বিভিন্ন অসুবিধাৰ সন্মুখীন হৈছে। অনাবৃষ্টিৰ হেতু অসহায় হৈ পৰা ৰাজ্যখনৰ বিভিন্ন ঠাইৰ কৃষকসকলে আনকি ভেকুলীৰ বিয়া পৰ্যন্ত পতাৰ খবৰ পোৱা গৈছে। বিগত ৪ দিনত এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ যোৰহাট, গোলাঘাট আৰু শিৱসাগৰৰ তিনিটি শিশুৰ মৃত্যু হৈছে। তীব্ৰ জ্বৰত আক্ৰান্ত হৈ অচেতন হৈ পৰা শিশুকেইটিক ভেণ্টিলেচনত ৰখা হৈছিল যদিও তিনিওটি শিশুৰে মৃত্যু হয়।

এই পৰিস্থিতিৰ মাজতে গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আজি ৰাজ্যখনৰ বিভিন্ন ঠাইত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ আৰু বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। আনহাতে, ২৬ মে' দেওবাৰে ৰাজ্যখনৰ দুই-এঠাইত ঘণ্টাত ৩০ৰ পৰা ৪০ কিলোমিটাৰ বেগেৰে ধুমুহা আৰু ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। সোমবাৰেও ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

oooo

মুনীন বৰকটকী সাহিত্য বঁটাৰ ২০২৪ বৰ্ষৰ বাবে অসমীয়া ভাষাৰ লেখক-লেখিকাৰ পৰা গ্ৰন্থ আৰু পাণ্ডুলিপি আহ্বান কৰা হৈছে। ৪০ বছৰৰ অনুৰ্ধ্বৰ লেখক-লেখিকাসকলে এই বঁটাৰ বাবেঅহা ৩১ জুলাইৰ ভিতৰত গ্ৰন্থ আৰু পাণ্ডুলিপি প্ৰেৰণ কৰিব পাৰিব। উল্লেখযোগ্য যে সাহিত্যিক, সমালোচক, সাংবাদিক প্ৰয়াত মুনীন বৰকটকীৰ স্মৃতিত মুনীন বৰকটকী স্মাৰক ন্যাসে ১৯৯৫ চনৰ পৰা এই বঁটা প্ৰদান কৰি আহিছে। এই বঁটাত আছে - নগদ ৫০ হাজাৰ টকা, এখন প্ৰশস্তিপত্ৰৰ লগতে এটা স্মাৰক। প্ৰ-পত্ৰ পূৰণ আৰু অন্যান্য নিয়মাৱলী সম্পৰ্কে জানিবলৈ আগ্ৰহীসকলে www.muninbarkotoki.org ৱেবছাইটত চাব পাৰিব বুলি ন্যাসৰক্ষী মীনাক্ষি বৰকটকীয়ে জনাইছে।

oooooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত গঁড়ৰ চোৰাং চিকাৰৰ সন্দেহত তিনিজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। বিভাগীয় তথ্য অনুসৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, বোকাখাত আৰক্ষী, যোৰহাট বন সংমণ্ডল আৰু যোৰহাট আৰক্ষীৰ যৌথ অভিযানত সন্দেহযুক্ত চোৰাং চিকাৰীকেইটাক গ্ৰেপ্তাৰ কৰা হৈছে। অভিযানৰ সময়ছোৱাত চলোৱা তালাচীত ছয় জাঁই গুলী উদ্ধাৰ কৰা হয়।

ooooooooo

উত্তৰ-পূব সীমান্ত ৰেলৱেই ক্ৰীড়া কোটাৰ অধীনত পুৰুষ আৰু মহিলাৰ ২৪টা পদৰ বাবে নিযুক্তিৰ অধিসূচনা প্ৰকাশ কৰিছে। ভাৰতীয় নাগৰিক আৰু যোগ্যতাৰ সকলো মাপকাঠি পূৰ্ণ কৰা ক্ৰীড়া ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিসকলে এই আবেদন দাখিল কৰিব পাৰিব। এই নিযুক্তি লেবেল একৰ পৰা পঞ্চমলৈকে বিভিন্ন পদৰ বাবে হ'ব। পদসমূহৰ বাবে আবেদনৰ অন্তিম দিন ৯ জুন ধাৰ্য্য কৰা হৈছে। আগ্ৰহী প্ৰাৰ্থীয়ে www.nfr.indianrailways.gov.in ৱেবচাইট যোগে আবেদন কৰিব পাৰিব। ভাৰোত্তোলন, গল্ফ, বক্সিং, চাইক্লিং, ক্ৰিকেট, বেডমিণ্টন, ফুটবল, টেবল টেনিচ আদি ক্ৰীড়া ক্ষেত্ৰৰ খেলুৱৈসকলে এই পদসমূহৰ বাবে অনলাইন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি আবেদন কৰিব পাৰিব। নিযুক্তিৰ বাবে লেভেল চাৰি আৰু পাঁচ পদত আবেদন কৰা প্ৰাৰ্থীসকলৰ বাবে ১ জুলাই ২০২৪ আৰু লেভেল ১ৰ পৰা ৩ নম্বৰ পদৰ বাবে আবেদনকাৰী প্ৰাৰ্থীসকলৰ নিৰ্ধাৰিত বয়সৰ সীমা চলিত বছৰৰ ১ জানুৱাৰীলৈ ১৮ৰ পৰা ২৫ বছৰৰ ভিতৰত ধাৰ্য্য কৰা হৈছে। অহা ২০ আৰু ২৮ জুনত প্ৰাথমিক বাছনি অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে আৰু প্ৰাৰ্থীসকলে সংশ্লিষ্ট ভাষাৰ বাবে নিজক সাজু কৰিব লাগিব। উত্তৰ-পূব সীমান্ত ৰেলৱেই আন্তৰ্জাতিক মানৰ খেলুৱৈ চিনাক্ত কৰি তেওঁলোকৰ ক্ৰীড়া প্ৰতিভা বিকশাই তোলাৰ বাবে এই সুযোগ প্ৰদান কৰিব।

00000000

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউটিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

000000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। এই খেলখনত জয়লাভ কৰা দলটোৱে দেওবাৰে ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

উল্লেখযোগ্য যে কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমখন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদক পৰাস্ত কৰি ইতিমধ্যে প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

000000000

মালয়েছিয়াৰ কোৱালালমপুৰত অনুষ্ঠিত মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ বেডমিণ্টন তাৰকা পি ভি সিন্ধু আৰু অস্মিতা চলিহাই মহিলাৰ ছিংগলছত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অস্মিতাই কালি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ বেইৱেন ঝাঙক ২১-১৯, ১৬-২১, ২১-১২ গেমত পৰাস্ত কৰে। আনহাতে সিন্ধুৱে দক্ষিণ কোৰিয়াৰ য়ু জিন ছিমক ২১-১৩, ১২-২১, ২১-১৪ গেমত পৰাভূত কৰে।

000000000

বিগত তিনি দিনত এনকেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত হৈ যোৰহাট, গোলাঘাট আৰু শিৱসাগৰত তিনিটা শিশুৰ মৃত্যু হৈছে। এই বাতৰিক এনকেফেলাইটিছ সদৃশ ৰোগত যোৰহাট মেডিকেলত তিনিটা শিশুৰ মৃত্যু শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতেও বাতৰিটো প্ৰথম পৃষ্ঠান প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত পৰিৱেশ পৰিষ্কাৰ আৰু জনসচেতনতাৰ ওপৰত গুৰুত্ব দিবৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ মানৱ জ্যোতি গোহাঁয়ে সকলোকে আহ্বান জনাইছে।

আৰু দুটা পৰ্যায়ৰ পাছতে এইবাৰৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পূৰ্ণ হ'ব। কিন্তু ইয়াৰ মাজতে ভোটদানৰ হাৰক লৈ বিৰোধীৰ মাজত অসন্তুষ্টিয়ে দেখা দিছে। এই বাতৰিক ভোটদানৰ তথ্য দিবলৈ নিৰ্বাচন আয়োগৰ অস্বীকাৰ শিৰোনামেৰে **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পঞ্চাদশ অসম বিধানসভালৈ নিৰ্বাচিত হৈ অহা ৪১ জন বিধায়কৰ এতিয়ালৈকে চৰকাৰী আবাসত থকাৰ সৌভাগ্য হোৱা নাই। বাতৰিত উল্লেখ কৰা মতে অসম বিধানসভা সচিবালয়ে প্ৰতিজন ভাড়াতীয়া বিধায়কক মাহে ৬০ হাজাৰকৈ টকা আদায় দিয়ে ঘৰ ভাড়াৰ শিতানত। এই বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমকো দহিছে উৎকট গৰমে। গৰমত পিবলৈ এহেজাৰ ৬১৬খন বিদ্যালয়ত নাই বিশুদ্ধ খোৱাপানী। পাংখা চলাবলৈ ৫১১ খন বিদ্যালয়ত নাই বিদ্যুৎ সংযোগ। এই বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ওড়িশাত নিৰ্বাচনী প্ৰচাৰসভাৰ ব্যস্ততাৰ মাজতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সম্বলপুৰত থকা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সাধনা গৃহত উপস্থিত হৈ তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়। এই বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰাথমিক বিদ্যালয়সমূহত প্ৰধান শিক্ষকৰ পদ আৰু ঠিকাভিত্তিক শিক্ষকৰ পদ নিয়মীয়াকৰণ এই বিত্তীয় বৰ্ষতে সম্পূৰ্ণ কৰা হ'ব। এই বাতৰিক **দ্যা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। Campaigning ends for sixth phase of Loksabha Polls. এই বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – অসমকে ধৰি পূৰ্বোত্তৰত অৰেঞ্জ এলাৰ্ট, পৰৱৰ্তী তিনি দিন গৰমে দহিব ৰাজ্য, এতিয়াৰে পৰা সহজ হৈ পৰিব ড্ৰাইভিং লাইছেন্স লাভৰ প্ৰক্ৰিয়া, অজাপ-ৰাইজৰ দলক চামিল কৰাৰ যো-জা, প্ৰেমৰ গল্প লিখি বুকাৰ জয় জাৰ্মান লেখকাৰ ইত্যাদি।

00000000

**সমাপ্ত**